# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date : 16**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। শ্ৰীলংকাৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে ভাৰতে ১৪ দশমিক ৯ মিলিয়ন ডলাৰ অৰ্থসাহায্যৰে মাহো-অনুৰাধাপুৰা খণ্ডৰ বিকাশ প্ৰকল্পত বিনিয়োগ কৰিবলৈ চুক্তিবদ্ধ হৈছে।

২। ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱোজ্জল যাত্ৰা সন্দৰ্ভত আজি দেশৰ উচ্চ সদন - ৰাজ্যসভাত আলোচনা অনুষ্ঠিত হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰে ৫০ জন বা ততোধিক কৰ্মচাৰী থকা কৰ্মস্থানসমূহত অন্যান্য সুবিধাৰ লগতে শিশুসকলক চোৱা চিতা কৰাৰ ব্যৱস্থা -ক্ৰেছৰ সুবিধা প্ৰদান কৰাটো বাধ্যতামূলক কৰিছে।

৪। ১৯৭১ চনৰ মুক্তিযুদ্ধৰ ৫৩ সংখ্যক বাৰ্ষিকী উপলক্ষে ভাৰত আৰু বাংলাদেশৰ সেনাবাহিনীয়ে আজিৰ দিনটো বিজয় দিৱস হিচাপে উদযাপন কৰিছে। ***আৰু***

৫। ব্ৰীজবেন টেষ্টত আজি ভাৰতে-অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ লক্ষ্য অনুসৰণ কৰি বৰ্ষাবিঘ্নিত তৃতীয় দিনাৰ খেলৰ অন্তত ৪ উইকেটৰ বিনিময়ত ৫১ ৰাণ সংগ্ৰহ কৰিছে।

ooooo

শ্ৰীলংকাৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে ভাৰতে ১৪ দশমিক ৯ মিলিয়ন ডলাৰ অৰ্থসাহায্যৰে মাহো-অনুৰাধাপুৰা খণ্ডৰ বিকাশ প্ৰকল্পত বিনিয়োগ কৰিবলৈ চুক্তিবদ্ধ হৈছে। ভাৰতে জাফনা বিশ্ববিদ্যালয় আৰু শ্ৰীলংকাৰ ইষ্টাৰ্ণ বিশ্ববিদ্যালয়ৰ পৰা এশ গৰাকীকৈ ছাত্ৰক বাৰ্ষিক জলপানি প্ৰদানৰো সিদ্ধান্ত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অভ্যাগত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ মাজত আজি নতুন দিল্লীত স্বাক্ষৰিত এলানি চুক্তিৰ অধীনত ভাৰত আৰু শ্ৰীলংকাই আজি দ্বৈত কৰ পৰিহাৰ আৰু কৰ ফাকি প্ৰতিৰোধ সন্দৰ্ভতো দুই দেশ বুজাবুজিত উপনীত হয়। আজি দুয়োদেশৰ প্ৰতিনিধি মণ্ডলৰ মাজত হোৱা চুক্তি অনুসৰি শ্ৰীলংকাৰ অসামৰিক সেৱাৰ সৈতে জড়িত লোকসকলৰ প্ৰশিক্ষণ আৰু সামৰ্থ বিকাশৰ ক্ষেত্ৰতো ভাৰতে সহায় কৰিব। শ্ৰীমোদী আৰু শ্ৰীদিশানায়কে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহতো আলোচনা কৰে। চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বিবৃতিত শ্ৰীদিশানায়কে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ দায়িত্বভাৰ গ্ৰহণৰ পাছতেই তেওঁৰ প্ৰথমটো বিদেশ ভ্ৰমণৰ কাৰ্যসূচী হিচাপে ভাৰতলৈ অহাৰ বাবে সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে এই ভ্ৰমণে দুয়োখন দেশৰ মাজত সম্পৰ্কক নতুন গতি আৰু শক্তি প্ৰদান কৰিব। এটা বিবৃতিত ৰাষ্ট্ৰপতি দিশানায়কেই কয়, যে অনাগত দিনবোৰত ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মৈত্ৰীপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় হ'ব আৰু ভাৰতৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কোনো ধৰণৰ কাৰ্যকলাপত শ্ৰীলংকাৰ ভূমিক ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব।

ভাৰত ভ্ৰমণৰ আজি দ্বিতীয় দিনা শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীক ৰাষ্ট্ৰপতি ভৱনৰ বাকৰিত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্ভাষণ জনায়। ৰাষ্ট্ৰপতি দিশানায়কেই আজি ৰাজঘাটলৈ গৈ জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিতো পুস্পাৰ্ঘ্য নিবেদন কৰে। ভাৰতত তিনিদিনীয়া ভ্ৰমণকালত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক আজি সন্ধিয়া সাক্ষাৎ কৰিব। কাইলৈ তেওঁ বিহাৰৰ বুদ্ধগয়ালৈ যাব।

উল্লেখযোগ্য যে, ভাৰতে এতিয়ালৈকে শ্ৰীলংকালৈ ৫০০ কোটি টকাৰ আৰ্থিক সাহায্য আৰু সহজ ঋণৰ সুবিধা প্ৰদান কৰিছে। অৰ্থনৈতিক সংকটৰ পৰা সকাহ পোৱা দ্বীপ ৰাষ্ট্ৰখনৰ চৰকাৰ প্ৰধানগৰাকীৰ এইবাৰৰ ভাৰত ভ্ৰমণে দুয়োখন প্ৰতিবেশী ৰাষ্ট্ৰৰ মাজৰ শতিকাযোৱা সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে দেশখনৰ অৰ্থনীতি পুনৰ টনকীয়াল কৰাত প্ৰভূত অৰিহণা আগবঢ়াব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱোজ্জল যাত্ৰা সন্দৰ্ভত আজি দেশৰ উচ্চ সদন - ৰাজ্যসভাত আলোচনা অনুষ্ঠিত হৈছে। আলোচনাত ভাগ লৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে দ্বিতীয় মহাসমৰৰ পাছত বিশ্বৰ ৫০ খনৰো অধিক দেশে স্বাধীনতা লাভ কৰিছিল আৰু সকলোৱেই নিজৰ নিজৰ সংবিধান ৰচনা কৰিছিল। কিন্তু অধিকাংশ দেশেই তেওঁলোকৰ সংবিধানৰ ব্যাপক সংশোধনী ঘটোৱাই নহয়, সংবিধানসমূহৰ মূল সত্তাকেই পৰিৱৰ্তন কৰি পেলাইছে। ভাৰতবৰ্ষই হৈছে একমাত্ৰ দেশ যাৰ সংবিধানে সময়ৰ প্ৰত্যাহ্বান অতিক্ৰম কৰিছে আৰু দিনক দিনে অধিক শক্তিশালী হৈ উঠিছে। বিৰোধী কংগ্ৰেছ দলৰ সমালোচনা কৰি সীতাৰমণে পূৰ্বৰ কংগ্ৰেছ শাসনকালত দেশত কেইবাখনো চলচ্চিত্ৰ আৰু গ্ৰন্থ চৰকাৰে নিষিদ্ধ কৰাৰ উদাহৰণ দাঙি ধৰে আৰু জৰুৰী অৱস্থা ঘোষণা কৰাৰ বাবে কংগ্ৰেছ দল সদায়েই জনমানসত জগৰীয়া হৈ থাকিব বুলি মন্তব্য কৰে। কংগ্ৰেছ দলে গৰিৱী হতাও শ্লোগান দিছিল যদিও প্ৰকৃত পক্ষে দেশৰ পৰা দৰিদ্ৰতা দূৰ কৰিব নোৱাৰিলে বুলিও তেওঁ সমালোচনা কৰে।

আলোচনাত ভাগ লৈ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই বৰ্তমানৰ চৰকাৰখনে সংবিধানৰ ভাৱাদৰ্শক হেয় কৰিছে বুলি অভিযোগ কৰে। তেওঁ কয়, যে দেশত প্ৰাপ্তবয়স্কৰ সাৰ্বজনীন ভোটাধিকাৰৰ ব্যৱস্থা কংগ্ৰেছ দলেহে প্ৰৱৰ্তন কৰিছে। কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন কৰা এম জি এনৰেগা, খাদ্য সুৰক্ষা আইন আৰু ভূমি সংস্কাৰ আইনসমূহ দেশখনত সমাজবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ আছিল বুলি শ্ৰীখাৰ্গেই দাবী কৰে। বৰ্তমানৰ বিজেপি চৰকাৰে জাতি ভিত্তিক লোকপিয়ল অনুষ্ঠিত নকৰি সংৰক্ষণ বিৰোধী স্থিতি লৈছে বুলিও বিৰোধী দলপতিগৰাকীয়ে অভিযোগ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে চাকৰিয়াল মাতৃসকলৰ সুবিধা হোৱাকৈ ৫০ জন বা ততোধিক কৰ্মচাৰী থকা কৰ্মস্থানসমূহত অন্যান্য সুবিধাৰ লগতে বা পৃথকভাৱে শিশুসকলক চোৱা চিতা কৰাৰ ব্যৱস্থা -ক্ৰেছৰ সুবিধা প্ৰদান কৰাটো বাধ্যতামূলক কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই কয়, যে চাকৰিয়াল মহিলাসকলৰ কৰ্মক্ষেত্ৰ আৰু পৰিয়ালৰ দায়িত্বৰ মাজত সামঞ্জস্য বৰ্তাই ৰখাত সুবিধা হোৱাকৈ বিভিন্ন আইনত ভালেমান সংশোধন কৰা হৈছে। ডঃ মন্দাভিয়াই কয়, যে প্ৰসৱকালিন সুবিধা আইন ১৯৬১ ৰ সংশোধনীৰ পাছত চাকৰিয়াল মহিলাসকলে ২৬ সপ্তাহৰ বেতনসহ ছুটি লাভ কৰিছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে চৰকাৰী খণ্ডত চাকৰি কৰা এগৰাকী মহিলাই আইনীভাৱে ৩ মাহৰ তলৰ এটি শিশুৰ দত্তক গ্ৰহণ কৰিলে ৩ মাহৰ বেতন বিহীন ছুটি প্ৰদান কৰা হয়। আনহাতে, গৰ্ভপাত হোৱাৰ ক্ষেত্ৰত ৬ সপ্তাহৰ আৰু চাৰোগেট মাতৃৰ ক্ষেত্ৰত ১২ সপ্তাহৰ বেতনবিহীন ছুটি প্ৰদান কৰা হয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

১৯৭১ চনৰ মুক্তিযুদ্ধৰ ৫৩ সংখ্যক বাৰ্ষিকী উপলক্ষে ভাৰত আৰু বাংলাদেশৰ সেনাবাহিনীয়ে আজিৰ দিনটো বিজয় দিৱস হিচাপে উদযাপন কৰিছে। বাংলাদেশত থকা ভাৰতৰ উচ্চায়োগে প্ৰকাশ কৰা এটা প্ৰেছ বিবৃতি অনুসৰি দুয়োখন দেশৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্ব আৰু সমন্বয়ৰ প্ৰতীক হিচাপে আজি ত্ৰিপুৰাৰ আগৰতলা আখৌৰা সীমান্তত উভয় দেশৰ সেনা বাহিনীয়ে শুভেচ্ছা বিনিময় কৰে। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশখনৰ স্বাধীনতাৰ হকে যুঁজি প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকসকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই মহান সৈনিকসকলৰ আত্মবলিদান দেশৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা হৈছে বুলি উল্লেখ কৰে আৰু তেওঁলোকৰ মহান ত্যাগে পৰৱৰ্তী প্ৰজন্মক সদায়েই উৎসাহিত কৰি যাব বুলি মন্তব্য কৰে। কাৰ্গিলৰ যুদ্ধ স্মাৰকত আজি বিজয় দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসমতো আজি বিজয় দিৱস উপলক্ষে সেনাবাহিনীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডতো আজি বিজয় দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাজ্যপাল লা গণেশনে প্ৰতিগৰাকী ব্যক্তিকে একতা, সাহস আৰু ত্যাগৰ প্ৰমূল্যৰে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়। দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষেত্ৰত সেনা বাহিনীৰ ভূমিকাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ বাবে এই দিৱস পালন কৰা হয়।

০০০০০

চৰকাৰে পি এম শ্ৰী আঁচনিৰ অধীনত ৬২০ খন জৱাহৰ নৱোদয় বিদ্যালয়ৰ আন্তঃগাথনি উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিগত ৫ বছৰত জৱাহৰ নৱোদয় বিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেৰাহে বৃদ্ধি পাইছে। তেওঁ কয়, যে ২০১৯-২০ বৰ্ষত সমগ্ৰ দেশৰে জৱাহৰ নৱোদয় বিদ্যালয়সমূহত ২ লাখ ৭২ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ বিপৰীতে ২০২৩-২৪ বৰ্ষত এই বিদ্যালয়সমূহ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২ লাখ ৮৮ হাজাৰলৈ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ব্ৰীজবেন টেষ্টত আজি ভাৰতে-অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ বিশাল লক্ষ্য অনুসৰণ কৰি বৰ্ষাবিঘ্নীত তৃতীয় দিনাৰ খেলৰ অন্তত ৪ উইকেটৰ বিনিময়ত ৫১ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত এতিয়াও অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ স্ক'ৰতকৈ ৩৯৪ ৰাণত পিছপৰি আছে। তৃতীয় দিনৰ খেল সামৰণি পৰাৰ সময়ত কে এল ৰাহুলে ৩৩ ৰাণ আৰু অধিনায়ক ৰোহিত শৰ্মাই কোনো ৰাণ নকৰাকৈ বেট ধৰি আছিল। ইয়াৰ পূৰ্বে য়শস্বী জয়ছোৱালে ৪, শুভমন গিলে ১, বিৰাট কোহলিয়ে ৩ আৰু ৰিষভ পণ্টে ৯ ৰাণ কৰি আউট হয়। ইয়াৰ আগতে আজি পুৱা কালিৰ ৪০৫ ৰাণৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াৰ ৪৪৫ ৰাণত আটাইকেইটা উইকেটৰ পতন ঘটে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৭৬ ৰাণত ৬টা উইকেট দখল কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব এই অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। তদুপৰি নমো এপ নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তে জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শ সমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেলযোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

সমাপ্ত